ফিতৰাত (অৰ্থাৎ মানুহৰ জন্মগত স্বভাৱ) হৈছে পাঁচটা: খাতনা কৰা; লজ্জাস্থানৰ নোম কাটি পৰিস্কাৰ কৰা; মোচ বা গোঁফ চুটি কৰা, নখ কটা; কাষলতিৰ নোম উঘালি পেলোৱা।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই শুনিছোঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ফিতৰাত (অৰ্থাৎ মানুহৰ জন্মগত স্বভাৱ) হৈছে পাঁচটা: খাতনা কৰা; লজ্জাস্থানৰ নোম কাটি পৰিস্কাৰ কৰা; মোচ বা গোঁফ চুটি কৰা, নখ কটা; কাষলতিৰ নোম উঘালি পেলোৱা।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দ্বীন ইছলামৰ পাঁচটা নীতি তথা ৰাছুলসকলৰ ছুন্নত বৰ্ণনা কৰিছে। তাৰে প্ৰথমটো হৈছে, খাতনাহ কৰা। অৰ্থাৎ পুৰুষ লিংগৰ মূৰৰ অতিৰিক্ত ছাল কাটি পেলোৱা আৰু নাৰীসকলৰ লজ্জাস্থানৰ ভেদ কৰা ঠাইৰ ওপৰত থকা ছালৰ কিছু অংশ কাটি পেলোৱা। দ্বিতীয়টো হৈছেঃ লজ্জাস্থানৰ আশে পাশে থকা নোম বা চুলিবোৰ খুৰাই পেলোৱা। তৃতীয়টো হৈছে, মোচ বা গোঁফ চুটি কৰা। অৰ্থাৎ পুৰুষ মানুহৰ ওঠৰ ওপৰত গজা চুলিবোৰ চুটি কৰা, যাতে ওঠ দেখা যায়। চতুৰ্থটো হৈছে, নখ কটা। পঞ্চমটো হৈছে, কাষলতিৰ চুলি উঘালি পেলোৱা।

http://www.sunnah.global/hadeeth/as/show/3144